# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 05-01-2026 **Time :** 1100 Hrs.

0000000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি সৰুপথাৰত ৭২ কোটি টকা ব্যয়সাপেক্ষ কেইবাটাও প্ৰকল্পৰ উদ্বোধন আৰু আধাৰশিলা স্থাপন কৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে সৰুপথাৰ বিধানসভা সমষ্টিৰ ২৩ হাজাৰ ৭৫৪ গৰাকী আত্মসহায়ক গোটৰ সদস্যাৰ মাজত মহিলা উদ্যমিতা অভিযানৰ ১০ হাজাৰ টকাকৈ চেক বিতৰণ কৰিব। ড° শৰ্মাই সৰুপথাৰত ১২ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ কৰা লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্প উদ্বোধনৰ লগতে বৰপথাৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ নতুন ভৱন, বৰপথাৰ শিশু উদ্যান আৰু গেলাবিল আৰু দুবৰণি পথ উদ্বোধন কৰিব। তেওঁ লগতে অসমমালাৰ অধীনত ২৫ কোটি টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া বৰপথাৰ-গোলাঘাট সংযোগী পথৰ প্ৰথম পৰ্যায় আৰু মিছামাৰী-বিলপথাৰ তথা অভংপথাৰ-শ্যামগাঁও মথাউৰিৰ আধাৰশিলা স্থাপন কৰিব। আজি দিনৰ ১ বজাত লাভলীনা বৰগোহাঁই ক্ৰীড়া প্ৰকল্পত এই উপলক্ষে আয়োজিত অনুষ্ঠানত মন্ত্ৰী অজন্তা নেওগ, কাজিৰঙাৰ সাংসদ কামাখ্যা প্ৰসাদ তাছা আৰু সৰুপথাৰৰ বিধায়ক বিশ্বজিৎ ফুকন উপস্থিত থাকিব।

0000000

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মঙলদৈ বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ৩১ হাজাৰ ১৭ গৰাকী মহিলাক উদ্যমিতা অভিযানৰ চেক বিতৰণ কৰিব। মঙলদৈৰ পুনিয়াত দৰং চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালৰ নিৰ্মাণস্থলীত আয়োজন কৰা এই কাৰ্যসূচীত দৰং-ওদালগুৰিৰ সাংসদ দিলীপ শইকীয়া, বিধায়ক বসন্ত দাস আৰু ভালেসংখ্যক লোক উপস্থিত থাকিব।

00000000

সমাগত বিধানসভা নিৰ্বাচনৰ বাবে বিজেপি আৰু কংগ্ৰেছকে ধৰি ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পাইছে। নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিজেপিয়ে আজিৰেপৰা ৰাজ্যজুৰি দেৱাল লিখন কাৰ্যসূচীৰ আয়োজন কৰিছে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ উপস্থিতিত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই খানাপাৰাৰ কেন্দ্ৰীয় বিদ্যালয়ৰ সন্মুখত এই দেৱাল লিখন কাৰ্যসূচী শুভাৰম্ভ কৰে। এই কাৰ্যসূচীত বিজেপিৰ সাংসদ মন্ত্ৰী, বিধায়ক, ৰাজ্যিক মৰ্চাৰ সভাপতি, জিলা পৰিষদৰ সদস্যকে ধৰি সকলো কাৰ্যকৰী সদস্যই অংশ লয়।

ডিব্ৰুগড় বিধানসভা সমষ্টিৰ ৪১ নম্বৰ বুথত কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড়ৰ সাংসদ সৰ্বানন্দ সোণোৱালে বিজেপিৰ কৰ্মকৰ্তাসকলৰ সৈতে দেৱাল লিখন কাৰ্যসূচীত অংশ ল'ব।

সমাগত বিধানসভা নিৰ্বাচনক কেন্দ্ৰ কৰি অসম প্ৰদেশ কংগ্ৰেছৰ সভাপতি গৌৰৱ গগৈয়ে ৰাজ্যৰ বিভিন্ন প্ৰান্তত গৈ দলৰ সাংগঠনিক ভেটি সুদৃঢ় কৰাত গুৰুত্ব দিছে। শ্ৰী গগৈয়ে কালি ঢকুৱাখনাত যুৱ কংগ্ৰেছে আয়োজন কৰা এটা বিশেষ কাৰ্যসূচীত অংশ লোৱাৰ লগতে পদযাত্ৰাত ভাগ লয়।

0000000

রাজ্য চৰকাৰে অহা ৩১ জানুৱাৰীৰ ভিতৰত সকলো ছাত্ৰ-ছাত্ৰীৰে APAAR পৰিচয় পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰিবলৈ জিলা শিক্ষা বিষয়াসকলক নিৰ্দেশ দিছে। সমগ্ৰ শিক্ষা, অসমৰ মিছন সঞ্চালকৰ কাৰ্যালয়ে এই সন্দৰ্ভত জাৰি কৰা নিৰ্দেশত উল্লেখ কৰা অনুসৰি বিগত বৰ্ষৰ ৩১ ডিচেম্বৰ পৰ্যন্ত ৭৯ শতাংশ ছাত্ৰ-ছাত্ৰীৰ APAAR পৰিচয় পত্ৰ পূৰণৰ প্ৰক্ৰিয়া সম্পূৰ্ণ হৈছে। আধাৰ কাৰ্ড থকা ১১ শতাংশ ছাত্ৰ-ছাত্ৰীয়ে এতিয়াও অপাৰ পৰিচয় পত্ৰৰ বাবে আবেদন কৰা নাই। আধাৰকাৰ্ড নথকা ১২ শতাংশ ছাত্ৰ-ছাত্ৰীৰ APAAR পৰিচয় পত্ৰত নাম সন্নিৱিষ্ট কৰাৰ বাবে প্ৰক্ৰিয়া অব্যাহত আছে। সমগ্ৰ শিক্ষা, অসমৰ মিছন সঞ্চালকে শিক্ষা বিভাগৰ অতিৰিক্ত জিলা আয়ুক্ত, সমগ্ৰ শিক্ষা, অসমৰ জিলা মিছন সমন্বয়ক, বিদ্যালয় পৰিদৰ্শক আৰু জিলা শিক্ষা বিষয়ালৈ এই সন্দৰ্ভত জাননী জাৰি কৰিছে। জাননীৰ সৈতে আধাৰ আৰু APAAR পৰিচয় পত্ৰ নথকা ছাত্ৰ-ছাত্ৰীৰ একোখনকৈ তালিকা গাঁথি দিয়া হৈছে। উল্লেখযোগ্য যে APAAR পৰিচয় পত্ৰ হৈছে ৰাষ্ট্ৰীয় শিক্ষা সংস্কাৰ পৰিকাঠামো, যাৰ জৰিয়তে প্ৰতিগৰাকী শিক্ষাৰ্থীৰ জীৱনজোৰা ডিজিটেল শৈক্ষিক পৰিচয় সৃষ্টিৰ লক্ষ্যৰে শিক্ষাৰ্থীসকলক ১২ টা সংখ্যাযুক্ত একোটাকৈ ডিজিটেল পৰিচয় প্ৰদান কৰা হ'ব।

০০০০০০০

ৰাষ্ট্ৰীয় পথ সুৰক্ষা মাহৰ সৈতে সংগতি ৰাখি ধুবুৰী জিলা পৰিবহণ বিভাগে বাহন চালকসকলৰ মাজত পথ সজাগতা বৃদ্ধিৰ উদ্দেশ্যে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। জিলা পৰিবহণ বিভাগৰ বিষয়া-কৰ্মচাৰীসকলে হেলমেট পৰিধান কৰি মটৰ চাইকেল চলোৱা লোকসকলক এপাহকৈ ফুল আৰু চকলেট বিতৰণ কৰে। সুৰাপায়ী চালক আৰু হেলমেটবিহীন আৰোহীসকলক সজাগ কৰাৰ বাবে এই কাৰ্যসূচী লোৱা হয়। অহা ৩১ জানুৱাৰীত পথ সুৰক্ষা সম্পৰ্কীয় সজাগতা কাৰ্যসূচীৰ সামৰণি পৰিব।

০০০০০০০

কাৰ্বি জনগোষ্ঠীয় লোকসকলে আজি পৰম্পৰাগতভাৱে ৰংকেৰ কাৰক্লি উৎসৱ পালন কৰিছে। এই উৎসৱত শস্যৰ সমৃদ্ধি আৰু গাঁওবাসীৰ কল্যাণৰ বাবে দেৱ-দেৱীসকলক পূজা-অৰ্চনা কৰা হয়। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাই এই উৎসৱ উপলক্ষে কাৰ্বি ভাই-ভনীসকলক শুভেচ্ছা জনোৱাৰ লগতে তেওঁলোকৰ কুশল-মংগল কামনা কৰে।

০০০০০০০

**সমাপ্ত**